**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**--------------------**

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। বিশেষ তদন্তকাৰী গোটে অভিযুক্ত দুগৰাকীক ১৪ দিনৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত আজি আদালতত হাজিৰ কৰোৱাইছিল। দুয়োগৰাকীকে বিশেষ নিৰাপত্তাৰ মাজেৰে হাফলং কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ যোৱা হৈছে।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ সৈতে জড়িত ৯জন লোকক আৰক্ষীয়ে চিনাক্ত কৰিছে। ইয়াৰে ৰমিজ আলী আৰু অহেলা মিঞা নামৰ দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰী সা-সম্পত্তি নষ্ট কৰা কিছুসংখ্যক লোকৰ বিৰুদ্ধেও ভিডিঅ' ফুটেজ চাই আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বাক্সা জিলাত বলবৎ থকা সান্ধ্য আইন আজিও অব্যাহত আছে আৰু নিকাছি কাৰাগাৰৰ সন্মুখৰ পথেৰে সৰ্বসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। অঞ্চলটোত অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু ৰেপিড এক্সন বাহিনীৰ লোকে অহৰ্নিশে পহৰা দি আছে।

০০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। পৰীক্ষাৰ্থীসকলে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট madhyamik.assam.gov.in ত তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহো ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ সেৱাই সমৰ্পন কাৰ্যসূচীৰ অংশস্বৰূপে আজি ওদালগুৰি জিলা টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত শুশ্ৰুষা সেতু শীৰ্ষক এটা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে ১৮ বছৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক চিকিৎসা প্ৰদানৰ উদ্দেশ্যে প্ৰতিটো বিধানসভা সমষ্টিতে ৰাজ্য চৰকাৰে এই বিশেষ স্বাসথ্য শিবিৰৰ আয়োজন কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ নুনমাটিৰ অসম

জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান লাভ কৰিছে। যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। বিজয়ী প্ৰতিযোগীসকলে তেওঁলোকৰ নিজ নিজ শিক্ষানুষ্ঠান আৰু অধ্যয়ন কৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ দাখিল কৰি পুৰস্কাৰ গ্ৰহণ কৰিব পাৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ পৰৱৰ্তী সময়ত প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব।

০০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত চলি থকা বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি দ্বাদশ দিনা ভাৰতে তিনিখন একক আৰু দুখন দ্বৈত শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। একক শাখাত বিশ্বৰ শীৰ্ষ বাছনিৰ খেলুৱৈ উন্নতি হুদা আৰু তন্‌ভি শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত প্ৰথমবাৰৰ বাবে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

বাইট

০০০০০০

সমাপ্ত